**ভাৰত চৰকাৰ আৰু অন্যান্য**

বনাম

**এ. জে. ফেবিয়ান**

**৯ ডিচেম্বৰ, ১৯৯৬**

(ন্যায়াধীশ কে. ৰামস্বামী আৰু জি. টি. নানাৱতী)

সেৱা আইন — পেঞ্চন — ৰে'লৱে কৰ্মচাৰী — অধিবৰ্ষ — ভৱিষ্য নিধি আঁচনিৰ পৰা পেঞ্চন আঁচনিলৈ পৰিৱৰ্তন কৰা — কৰ্মচাৰীজনক ছবাৰ সুযোগ দিয়া হৈছিল আৰু তেওঁ সেই সুবিধা গ্ৰহণ কৰা নাছিল — বহু পলমকৈ কৰ্মচাৰীজনে তেওঁক পেঞ্চন আঁচনি বাছনি কৰিবলৈ আনুমতি দিবলৈ অনুৰোধ জনায় — অনুৰোধ নাকচ — ন্যায়াধিকৰণে কৰ্মচাৰীজনৰ দ্বাৰা দাখিল কৰা আবেদনৰ অনুমোদন জনায় — ভাৰত চৰকাৰৰ দ্বাৰা আপীল দাখিল — ৰায় দিয়া হয়, কৰ্মচাৰীজন পেঞ্চন আঁচনিৰ সুবিধা লাভৰ অধিকাৰী নহয় — ন্যায়াধিকৰণৰ আদেশ বাতিল।

কৃষেণা কুমাৰ আৰু অন্যান্য ইত্যাদি বনাম ভাৰত চৰকাৰ আৰু অন্যান্য, (১৯৯০) ৩ এছচিআৰ ৩৫২ গোচৰৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল।

ডি. এছ. নাকাৰা আৰু অন্যান্য বনাম ভাৰত চৰকাৰ, (১৯৮৩) ১ এছচিচি ৩০৫ আৰু ভি. কে. ৰামামূৰ্থি বনাম ভাৰত চৰকাৰ আৰু অন্য এজন (১৯৯৬) পৰিপূৰক 4 এছচিআৰ ৫৮৩ গোচৰৰ উল্লেখ কৰা হৈছিল।

২.৮.১৯৯৬-ত উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নিৰ্ধাৰিত পি. লক্ষ্মণ ৰাও বনাম ভাৰত চৰকাৰ, এছ এল পি (চি) নং ১৭৭৩০/৯৫ গোচৰৰ পাৰ্থক্য নিৰ্দেশ কৰা হৈছিল।

**দেৱানী আপীল ক্ষেত্ৰাধিকাৰ: ১৯৯৬ চনৰ দেৱানী আপীল নং ১৬৮৬১।**

১৯৯৫ চনৰ অ'. এ. নং ৬৮৬-ত কেৰালাৰ কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ, এৰ্ণাকুলামৰ ২৯.৯.৯৫ তাৰিখৰ ৰায় আৰি আদেশৰ পৰা ।

আপীলকাৰীসকলৰ হৈ এন. এন. গোস্বামী, এ. ডি. এন. ৰাও আৰু অৰবিন্দ কুমাৰ শৰ্মা।

প্ৰতিবাদীৰ হৈ শ্ৰীমতি কে. সাৰদা দেৱী।

আদালতৰ নিম্নোক্ত আদেশ প্ৰদান কৰা হৈছিল:

বিলম্ব মাৰ্জনা কৰা হৈছিল। অনুমতি প্ৰদান কৰা হৈছিল।

বিশেষ অনুমতিৰ দ্বাৰা এই আবেদন কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণ, এৰ্ণাকুলাম বিচাৰপীঠে ১৯৯৫ চনৰ ২৯ ছেপ্টেম্বৰত অ'.এ. নং ৬৮৬/৯৫-ত গৃহীত কৰা আদেশৰ পৰাই উদ্ভৱ হৈছে।

প্ৰতিবাদীজন ৰে'লৱেৰ কৰ্মচাৰী আছিল। ১৯৭২ চনৰ ২১ এপ্ৰিলত তেওঁ, অধিবৰ্ষ প্ৰাপ্ত কৰি, যোগাযোগৰ মুখ্য পৰিদৰ্শক হিচাপে সেৱাৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। ফলস্বৰূপে ভৱিষ্য নিধি আঁচনিৰ পৰা পেঞ্চন আঁচনিলৈ পৰিৱৰ্তন কৰাৰ বাবে কৰ্মচাৰীসকলক বিকল্প দিয়া হৈছিল। আচলতে প্ৰতিবাদীক ছয়বাৰ বিকল্প দিয়া হৈছিল যদিও তেওঁ সেইটোৰ সুবিধা লোৱা নাছিল। কিন্তু ১৯৯৩ চনৰ ১৯ ডিচেম্বৰত আপীলকাৰীসকলক তেওঁক পেঞ্চন আঁচনিৰ সুবিধা ল'বলৈ অনুমতি দিবলৈ অনুৰোধ জনাই আবেদন কৰা হৈছিল, যিটো চৰকাৰে ১৯৯৪ চনৰ ১৯ জানুৱাৰীৰ আদেশৰ দ্বাৰা নাকচ কৰিছিল। ইয়াৰ পিছত প্ৰতিবাদীয়ে ন্যায়াধিকৰণত অ'.এ. দাখিল কৰে, যিয়ে বিবাদিত আদেশত অ'.এ.ত বম্বেৰ বিদ্বান চি.এ.টি. বিচাৰপীঠৰ ৰায়ৰ ওপৰত নিৰ্ভৰ কৰি আবেদনখনৰ অনুমতি দিয়ে, যাৰ বিৰুদ্ধে এছএলপি নং ৫৯৭৩/৮৮ দাখিল কৰা হৈছিল আৰু এই আদালতে *ইন লিমিনে* (আৰম্ভণিতে বা তুৰন্তে) খাৰিজ কৰিছিল। বিতৰ্কটো নতুন (ৰেছ ইণ্টেগ্ৰা) নহয়। এই আদালতৰ এখন সংবিধান বিচাৰপীঠে কৃষেণা কুমাৰ আৰু অন্যান্য আদি বনাম ভাৰত চৰকাৰ আৰু অন্যান্য, (১৯৯০) ৩ এছচিআৰ ৩৫২ গোচৰত ৰায় দিছিল যে যিহেতু ভৱিষ্য নিধি আঁচনিৰ সৈতে অৱসৰপ্ৰাপ্ত আৰু পেঞ্চন আঁচনিৰ সৈতে

অৱসৰপ্ৰাপ্তসকলৰ দৰমহা নিৰিখ একে নহয়, গতিকে তেওঁলোকে নিৰ্দিষ্ট সময়ৰ ভিতৰত বিকল্পটো ব্যৱহাৰ নকৰাৰ বাবে পেঞ্চন আঁচনিৰ লাভালাভ বৃদ্ধি কৰাৰ ক্ষেত্ৰত কোনো বৈষম্য নাই। পেঞ্চন আঁচনিখন প্ৰণয়ন কৰা আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক বিকল্প দিয়াৰ পিছত, প্ৰতিকাৰৰ সুবিধা গ্ৰহণ নকৰাত, তেওঁলোকে পিছত পেঞ্চনৰ সুবিধা লাভ কৰাৰ অধিকাৰী নহয়। ই সংবিধানৰ ১৪ নং অনুচ্ছেদ উলংঘা নহয় বুলি ৰায় দিয়া হৈছিল। এই আদালতে ডি. এছ. নাকাৰা আৰু অন্যান্য বনাম ভাৰত চৰকাৰ [(১৯৮৩) ১ এছচিচি ৩০৫] গোচৰত সংবিধান বিচাৰপীঠৰ সিদ্ধান্তৰ পাৰ্থক্য দৰ্শাইছিল আৰু সেই অনুসৰি আপীলৰ অনুমতি দিছিল আৰু কৈছিল যে তেওঁলোক সেই সুবিধাসমূহৰ অধিকাৰী নহয়। একেটা প্ৰশ্নকে এই আদালতে ভি. কে. ৰামামুৰ্থি বনাম ভাৰত চৰকাৰ আৰু অন্যান্য (১৯৯৬) পৰিপূৰক ৪ এছচিআৰ ৫৮৩-ত পুনৰ বিবেচনা কৰিছিল। এই গোচৰত এই আদালতে সমগ্ৰ গোচৰ আইনৰ জৰীপ কৰিছিল আৰু তলত দিয়া ধৰণে ৰায় দিছিল:

> "নাকাৰাৰ গোচৰৰ বিষয়ে ব্যাখ্যা আৰু বিশদভাৱে বৰ্ণনা কৰা এই আদালতৰ ওপৰোক্ত সিদ্ধান্তৰ শৃংখলাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্তটো অপৰিহাৰ্য যে ১৯৭২ চনত অৱসৰ লোৱা আৰু পেঞ্চন আঁচনিলৈ অহাৰ বাবে ছটা সুযোগ প্ৰদান কৰাৰ পিছতো সেই বিকল্প ব্যৱহাৰ নকৰা আবেদনকাৰীয়ে এই সময়ছোৱাত পেঞ্চন আঁচনি বাছি লোৱাৰ অধিকাৰী নহয়। ঘনশাম দাস গোচৰ, যিটোৰ সিদ্ধান্তৰ ওপৰত আবেদনকাৰীৰ বিদ্বান অধিবক্তাই নিৰ্ভৰ কৰিছিল, ন্যায়াধিকৰণে নাকাৰাৰ গোচৰৰ ওপৰত নিৰ্ভৰ কৰিছিল আৰু কৃষেণা কুমাৰৰ সেই সংবিধান বিচাৰপীঠৰ গোচৰ আৰু ওপৰত উল্লেখ কৰা অন্যান্য গোচৰত নাকাৰাৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনোৱা হৈছে বুলি বিবেচনা নকৰাকৈয়ে সকাহ প্ৰদান কৰে। সেয়েহে ন্যায়াধিকৰণৰ উক্ত ৰায়ৰ বিৰুদ্ধে বিশেষ অনুমতি আবেদন খাৰিজ কৰাটো, কৃষেণা কুমাৰ গোচৰত উল্লেখ কৰা কথাখিনিৰ প্ৰতি লক্ষ্য

ৰাখি, এই আদালতে নিৰ্ধাৰণ কৰা আইন বুলি গণ্য কৰিব নোৱাৰি। এই আদালতৰ আনটো সিদ্ধান্ত, আৰ. সুব্ৰমণিয়ান (লেখ আবেদন (দেৱানী) নং ৮৮১/১৯৯৩) গোচৰত, আদালতে ঘনশাম দাস গোচৰত ন্যায়াধিকৰণৰ ৰায়ৰ বিৰুদ্ধে বিশেষ অনুমতি আবেদন খাৰিজ কৰি বিষয়টো নিষ্পত্তি কৰিলে আৰু সেয়েহে ইয়াক কোনো আইনৰ প্ৰশ্নৰ সিদ্ধান্ত বুলিও গণ্য কৰিব নোৱাৰি।”

সেই অনুসৰি আবেদন খাৰিজ কৰা হয়।

উত্তৰদাতাৰ বিদ্বান অধিবক্তা শ্ৰীমতী সাৰদা দেৱীয়ে যুক্তি দিছে যে কৃষেণা কুমাৰ-গোচৰত এই আদালতে বম্বে বিচাৰপীঠৰ সিদ্ধান্তক সমৰ্থন কৰিছিল যিটো এৰ্নাকুলাম বিচাৰপীঠে অনুসৰণ কৰিছিল আৰু সেয়েহে ন্যায়াধিকৰণে গ্ৰহণ কৰা মতামত আইনগতভাৱে শুদ্ধ। এই যুক্তি আমি গ্ৰহণ কৰিবলৈ অসমৰ্থ। এই আদালতে আইন প্ৰণয়ন কৰি কেৱল তথ্যৰ ওপৰত ভিত্তি কৰিহে সেই ৰায়দানক পৃথক কৰিছে, কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে কৃষেণা কুমাৰৰ গোচৰত বম্বে বিচাৰপীঠে প্ৰকাশ কৰা মতামত এই আদালতে অনুমোদন জনাইছিল। সেয়েহে, ই অনুসৰণ কৰাৰ কোনো ভিত্তি গঠন নকৰে। আনহাতে, কৃষেণা কুমাৰ গোচৰৰ ন্যায়িক নীতিয়ে ন্যায়াধিকৰণক ১৪১ নং অনুচ্ছেদৰ অধীনত আইন হিচাপে বান্ধি ৰাখে আৰু ইয়াক অনুসৰণ কৰা উচিত।

তাৰ পিছত যুক্তি দিয়া হৈছিল যে যিহেতু প্ৰতিবাদীৰ মৃত্যু হৈছে আৰু অৱসৰপ্ৰাপ্ত ব্যক্তিজনৰ আইনী প্ৰতিনিধিসকলে লাভৰ অধিকাৰী হ’ব, গতিকে ই হস্তক্ষেপৰ প্ৰয়োজনীয়তা থকা গোচৰ নহ’ব। ইয়াৰ সমৰ্থনত তেঁও এই আদালতে চি. এ. @ এছ এল পি (চি) নং ১৭৭৩০/৯৫-ত পি. লক্ষ্মণ ৰাও বনাম ভাৰত চৰকাৰ, ২ এপ্ৰিল, ১৯৯৬ - গোচৰত গৃহীত কৰা আদেশৰ ওপৰত নিৰ্ভৰ কৰিছিল। সেই গোচৰত চৰকাৰৰ হৈ অধিবক্তাই দিয়া ৰেহাইৰ ভিত্তিত

সেই আদেশ গৃহীত হ’ল। সেই পৰিস্থিতিত আমি নাভাবো যে ই প্ৰতিবাদীক একে সুবিধাৰ অধিকাৰ প্ৰদান কৰা গোচৰ।

সেই অনুসৰি আপীলৰ অনুমতি দিয়া হৈছে। কিন্তু এই পৰিস্থিতিত, খৰচ নোহোৱাকৈ ন্যায়াধিকৰণৰ আদেশ বাতিল কৰা হৈছে।

টি.এন.এ. আপীলৰ অনুমতি প্ৰদান কৰা হৈছে।

---

অনুবাদক: হৰ্ষদ্বীপ কলিতা, কনিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়


DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”